পাঠ ২

ষ্ট, স্ক, জ্য, ন্ধ

# পখী আৰু মানুহ



এখন দেশত সৰ্বধনু নামৰ এজন ৰজা আছিল। তেওঁ আছিল চিকাৰপ্ৰিয়। চৰাইৰ মঙহ নহ'লে তেওঁ ভাতকে নাখাইছিল। তেওঁ সদায় ধনু-কাঁড়েৰে কপৌ, শালিকা, বগলী আদি চৰাই বধ কৰিছিল। এদিন মধুকৰ নামৰ এজন যুৱকে ৰজা সৰ্বধনুক এই কামৰ বাবে তিৰস্কাৰ কৰি ক'লে- 'মহাৰাজ, ভোজনৰ তৃপ্তিৰ বাবে চৰাই মৰাটো আপোনাৰ উচিত হোৱা নাই। আপুনি বোধকৰোঁ জানে যে পখীকুল মানুহৰ বাবে অতি উপকাৰী। শালিকাৰ নিচিনা চৰাইবোৰেই পথাৰৰ শইচ নষ্ট কৰিব পৰা কীট-পতংগবোৰ ধৰি খাই খেতি-বাতি ৰক্ষা কৰে। আচলতে চৰাইবোৰ খেতিয়কৰ পৰম বন্ধু। গতিকে প্ৰজাৰ মংগলৰ বাবে আপুনি চৰাই চিকাৰ কৰিবলৈ এৰি পেলাওক।'


যুৱকজনৰ কথা শুনি ৰজাৰ বৰ খং উঠিল। খঙৰ ভমকত তেওঁ যুৱকজনক কোনোমতেহে নমৰাকৈ থাকিল। ৰজাই কিন্তু চৰাই-চিৰিকটি মাৰিবলৈ নেৰিলে। ফলত ৰাজ্যত পখী নিধন কাৰ্য অব্যাহত থাকিল। সেই কাৰণে চৰাইবোৰেও ভয় খাই সেই ঠাই এৰি আন দেশলৈ গুচি গ'ল। দেশত চৰাই-চিৰিকটিৰ সঁচ পাবলৈকে নোহোৱা হ'ল।

মনৰ দুখত মধুকৰো এদিন দূৰণিৰ ৰাজ্য এখনলৈ গুচি গ'ল। সেই ৰাজ্যৰ ৰজাজনৰ সন্তান বুলিবলৈ আছিল মাত্ৰ একেজনী ছোৱালী। তাইৰ নাম মাধৱী। মধুকৰৰ সজ আচৰণত ৰজা বৰ সন্তুষ্ট হ'ল। সেয়েহে তেওঁ নিজৰ একমাত্ৰ সন্তান মাধৱীক মধুকৰৰ সৈতে বিয়া দি তেওঁক সেই ৰাজ্যৰ ৰজা পাতি দিলে।



ইফালে সৰ্বধনুৰ ৰাজ্যত চৰাইবোৰ নোহোৱা হ'লত কীট-পতংগৰ সংখ্যা বাঢ়িবলৈ ধৰিলে আৰু সেইবোৰে পথাৰৰ শস্য খাই শেষ কৰিলে। গছ-গছনি, পাত, লতা আদি সকলো শুকাই গ'ল। বৰষুণো নোহোৱা হ'ল। দেশত দুৰ্ভিক্ষই দেখা দিলে। ৰজা, প্ৰজা সকলোৱেই খাদ্যৰ অভাৱত পৰি ভিক্ষা কৰিবলৈ বাধ্য হ'ল।

ৰজা সৰ্বধনুৱে ভিক্ষা খুজি খুজি এদিন মধুকৰৰ ৰাজ্যত উপস্থিত হ'ল। ৰজা মধুকৰে সৰ্বধনু ৰজাক চিনি পালে। তেওঁ সৰ্বধনুক আদৰ-সাদৰ কৰি নি ৰাজকাৰেঙৰ অতিথি ৰূপে আদৰিলে। তাৰ পাছত মধুকৰে সৰ্বধনুৰ আগত নিজৰ পৰিচয় ব্যক্ত কৰি ক'লে- 'মহাৰাজ, মই মধুকৰ। ময়েই আপোনাক পখী বধ কৰিবলৈ বাধা দিছিলোঁ। গপত গংগাটোপটো যেন হৈ আপুনি মোৰ কথা নুশুনিলে। সেয়েহে এতিয়া তাৰ কু-ফল ভোগ কৰিবলগীয়া হৈছে। ভৱিষ্যতলৈ আপুনি কেতিয়াও চৰাই বধ নকৰিব।' এইবুলি তেওঁ নিজৰ ৰাজ্যৰ পৰা ৰজাক চৰাই এজাক দি ক'লে- 'এই চৰাইজাক আপুনি লৈ যাওক। ইহঁতক আপুনি নিজৰ সন্তানৰ দৰে লালন-পালন কৰিব।' এইবুলি মধুকৰে চৰাই এজাক সজাত ভৰাই সৰ্বধনু ৰজাক উপহাৰ দিলে। সৰ্বধনুৱেও মধুকৰৰ কথামতে চৰাইজাকক নিজ ৰাজ্যলৈ নি মুকলি আকাশত মেলি দিলেগৈ।



**ক্ৰিয়া-কলাপ** ক — পাঠভিত্তিক

**সাধুটো ভালদৰে পঢ়া আৰু নিজৰ কথাৰে কোৱা।**

**উত্তৰ দিয়া।**

(ক) সৰ্বধনু কেনেকুৱা প্ৰকৃতিৰ ৰজা আছিল?

(খ) সৰ্বধনু ৰজাৰ প্ৰিয় খাদ্য কি আছিল?

(গ) সাধুটোত মানুহৰ উপকাৰী প্ৰাণী বুলি কাক কোৱা হৈছে?

(ঘ) মধুকৰে বিয়া কৰোৱা ছোৱালীজনীৰ নাম কি?

(ঙ) মধুকৰে ৰজাক ৰাইজৰ মংগলৰ বাবে কি কৰিবলৈ উপদেশ দিছিল?

**কোনে, কাক,কেতিয়া আৰু কিয় কৈছিল বহলাই লিখা।**

(ক) 'আচলতে চৰাইবোৰ খেতিয়কৰ পৰম বন্ধু। গতিকে ৰাইজৰ মংগলৰ বাবে আপুনি চৰাই চিকাৰ কৰিবলৈ এৰি পেলাওক।'

(খ) 'এই চৰাইজাক আপুনি লৈ যাওক। ইহঁতক আপুনি নিজৰ সন্তানৰ দৰে লালন-পালন কৰিব।'

**কাৰণ দৰ্শাই লিখা।**

(ক) সৰ্বধনু ৰজাৰ ৰাজ্যত কিয় বৰষুণ নোহোৱা হ'ল?

(খ) কীট-পতংগৰ সংখ্যা বৃদ্ধিয়ে সৰ্বধনুৰ ৰাজ্যত কি সমস্যাৰ সৃষ্টি কৰিলে?

(গ) মধুকৰে সৰ্বধনুক কেনেদৰে সহায় কৰিছিল?

**ৰজা সৰ্বধনুৱে ভিক্ষা খুজি খুজি গৈ কাৰ ৰাজ্যত উপস্থিত হৈছিলগৈ? তাৰ পাছত তেওঁৰ কি হৈছিল? বুজাই লিখা।**

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



**তলৰ বাক্যবোৰ পাঠৰ কথাৰ লগত মিলাই শুদ্ধকৈ লিখা।**

(ক) সৰ্বধনু নামৰ ৰজাজনে চৰাইৰ মঙহ খাবলৈ বেয়া পাইছিল।

(খ) ৰজা সৰ্বধনুৱে মধুকৰ নামৰ যুৱকজনক খং কৰা নাছিল।

(গ) কীট-পতংগবোৰে খেতি-বাতি ৰক্ষা কৰে।

(ঘ) ৰজা মধুকৰে সৰ্বধনু ৰজাক চিনি নাপালে।

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা**

**ন্ব, ক্ব, ব্জ, গ্ব**

| | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| ন্ব | ন | + | ৱ | **নই** | **ৱই** | ন্ব | — | অন্বেষণ | অন্বেষা | সমন্বয় |
| ব্জ | ব | + | জ | **বই** | **জই** | ব্জ | — | অব্জ | কুব্জ | |
| গ্ব | গ | + | ৱ | **গই** | **ৱই** | গ্ব | — | দিগ্বিজয় | দিগ্বিদিগ্ | |
| ক্ব | ক | + | ৱ | **কই** | **ৱই** | ক্ব | — | পক্ব | পক্বান্ন | পৰিপক্ব |




**যুক্তাক্ষৰ গঠন কৰোঁ আহা**

| | | | | | |
|---|---|---|---|---|---|
| ন | + | ৱ | **নই** | **ৱই** | ন্ব |
| ব | + | জ | **বই** | **জই** | ব্জ |
| গ | + | ৱ | **গই** | **ৱই** | গ্ব |
| ক | + | ৱ | **কই** | **ৱই** | ক্ব |

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

পঢ়োঁ আহা



**দুৱাৰত কব্জা লগোৱা হয়।**

**কুব্জ মানে কুঁজা।**

**পদুম ফুলৰ আন এটা নাম অব্জ।**

**সমন্বয় শব্দই একগোট হোৱা বুজায়।**

**একলব্য ধনুর্বিদ্যাত পৰিপক্ক আছিল।**

**সীতাৰ অন্বেষণত ৰাম আৰু লক্ষ্মণ হাবিয়ে বননিয়ে ঘূৰি ফুৰিছিল।**

বিপৰীত লিংগ বুজোৱা শব্দ লিখা।

| | | | |
|---|---|---|---|
| উদাহৰণ— ৰজা | — ৰাণী | যুৱক | — |
| ল'ৰা | — | দৰা | — |
| বন্ধু | — | | |

শব্দবোৰ ভাঙি দেখুওৱা ।

| | পদ | শব্দ | বিভক্তি |
|---|---|---|---|
| উদাহৰণ — | মধুকৰে | মধুকৰ | + এ |
| | যুৱকে | — | — |
| | মানুহে | — | — |
| | চৰাইজাকক | — | — |
| | ৰজাক | — | — |
| | কাঁড়েৰে | — | — |
| | দেশলৈ | — | — |



নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী



**পাঠৰ পৰা বিচাৰি উলিয়াই তলৰ তালিকাখনত বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদবোৰ লিখা।**

| বিশেষ্য | বিশেষণ | সৰ্বনাম |
| --- | --- | --- |
| পখী | সজ | তেওঁ |
| | | |
| | | |
| | | |
| | | |
| | | |



**জানো আহা**

একবচন আৰু বহুবচনৰ আভাস ইতিমধ্যে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পাঠ্যপুথিত পাইছা। একবচনত প্ৰাণী বা বস্তুক নিৰ্দিষ্টকৈ বুজাবলৈ শব্দৰ পাছত টো, জন, পাট আদি প্ৰত্যয় ব্যৱহাৰ কৰা হয়। এইবোৰেই **নিৰ্দিষ্টতাবাচক প্ৰত্যয়**।

উদাহৰণস্বৰূপে, মানুহজন বোলোঁতে এজন মানুহক বুজোৱাৰ উপৰি সেই মানুহজনক নিৰ্দিষ্টকৈ বুজাইছে।

কিছুমান **নিৰ্দিষ্টতাবাচক প্ৰত্যয়** হ'ল — টো, গৰাকী, জনী, খন, ডাল, জোপা, পাট, গছি ইত্যাদি।

শব্দত প্ৰয়োগ কৰিলে হ'ব — মানুহটো, মানুহগৰাকী, ছোৱালীজনী, নৈখন, বাঁহডাল, গছজোপা, চাকিগছি, বঠাপাট ইত্যাদি।

আকৌ, চুলিকোছা, চাউলমুঠি, খৰিপোলা— এই শব্দবোৰে একে বস্তুৰে একোটা থূপ বা গোট বুজাইছে। গোট বুজালেও এইবোৰ একবচনৰ প্ৰত্যয় হিচাপে ব্যৱহাৰ হ'ব পাৰে।

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**বিপৰীত অৰ্থবোধক শব্দ লিখা।**

| | | |
|---|---|---|
| প্ৰিয় | ভয় | বন্ধু |
| সুফল | অনুচিত | পুৰস্কাৰ |
| অপকাৰী | অমংগল | অনুপস্থিত |

**বাক্য ৰচনা কৰা।**

| | | |
|---|---|---|
| আদৰ-সাদৰ | লালন-পালন | খেতি-বাতি |
| চৰাই-চিৰিকটি | গছ-গছনি | কীট-পতংগ |

## গ— জ্ঞান সম্প্ৰসাৰণ

**চৰায়ে আমাৰ কি কি উপকাৰ সাধন কৰে দলত আলোচনা কৰি লিখা।**

**পশু-পক্ষী, গছ-গছনিৰ সৈতে মানুহৰ নিবিড় সম্পৰ্কৰ কথা দলত আলোচনা কৰি লিখা।**

**তৰ্ক প্ৰতিযোগিতা পাতোঁ আহা**

**'এটি সুস্থ সবল পৰিৱেশৰ বাবে গছ-গছনি, চৰাই-চিৰিকটি আৰু বিভিন্ন প্ৰাণীৰ আৱশ্যকতা আছে।'**

*বিষয়টোৰ সপক্ষে আৰু বিপক্ষে সকলো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব।*

## জানো আহা

‘মুখত দুডাল দুৰৰিবন দুডাল খৰিকা
মোৰ চোতালত ওমলহি অ’ ঘনচিৰিকা।’

গীতিকাৰ নৱকান্ত বৰুৱাই ৰচনা কৰা আৰু ড° বীৰেন্দ্ৰনাথ দত্তই কণ্ঠ দিয়া এই গীতটো তোমালোক আটায়ে নিশ্চয় শুনিছা। দোক-মোকালিতে চোতালৰ আগত চিক্ চিক্ চিচিক্, চিক্ চিক্ চিচিক্ কৈ গীত গাই আপোন পাহৰি নাচি-বাগি জঁপিয়াই ফুৰা কণমানি চৰাইবোৰেই হ’ল ঘৰচিৰিকা। ঘৰৰ আশে-পাশে থাকে কাৰণে মানুহে সম্ভৱ ইহঁতক ঘৰচিৰিকা বোলে। বহুতে আকৌ ঘন্ ঘন্ কৈ জঁপিয়াই চিৰিক্ চিৰিক্কৈ মাতি থাকে কাৰণে ইহঁতক ঘনচিৰিকা বোলে।

ইহঁতৰ মূল আহাৰ ঘেঁহু, গম, ধান, চাউল আদি। ইয়াৰ উপৰি গৰু, ম’হ, ঘোঁৰা আদিৰ গোবৰত থকা হজম নোহোৱা শস্যৰ গুটি খাইও ইহঁত জীয়াই থাকে। শস্য নষ্ট কৰা পোক পৰুৱা খাই ঘৰচিৰিকাই মানৱ জাতিৰ উপকাৰ সাধন কৰে। দোক-মোকালিৰ পৰা সন্ধিয়ালৈকে ইহঁতে গোটেই দিনটো জঁপিয়াই ফুৰি আহাৰ সংগ্ৰহ কৰিয়েই কটায়। ভাৰতৰ প্ৰায় সকলো ঠাইতে ঘৰচিৰিকা দেখা যায়।

### ঘ— প্ৰকল্প

- **চৰাইৰ ছবি সংগ্ৰহ কৰি এখন এলবাম প্ৰস্তুত কৰা।**
- **পৰিৱেশ বিনষ্ট নোহোৱাকৈ ৰাখিবলৈ ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিব পৰা তিনিটা শ্লোগান লিখি শ্ৰেণী-কোঠা আৰু বিদ্যালয়ৰ সন্মুখত সকলোৱে পঢ়িব পৰাকৈ আঁৰি থোৱা।**
- **তোমালোকে দেখা আৰু জনা, মানুহৰ বসতিৰ আশে-পাশে থকা, চৰাই-চিৰিকটিৰ নামৰ এখন তালিকা কৰা আৰু সিহঁতৰ বিষয়ে চমুকৈ লিখা।**

☞ *পাঠটোৰ পৰা শ্ৰুতলিপি দিব।*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- সাধুটো শুনি, বুজি নিজৰ কথাৰে ক'ব পৰা
- সাধু পঢ়ি, বুজি সাধুটোৰ বিষয়ে সোধা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিব পৰা
- মানুহৰ বাবে পক্ষীকুল যে অতি উপকাৰী সেই বিষয়ে অৱগত হোৱা
- চৰাই সংৰক্ষণৰ প্ৰতি সচেতন হোৱা
- একবচন, বহুবচন, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, লিংগ, বিভক্তিৰ ব্যৱহাৰ সম্পৰ্কে জনা
- বিপৰীত অৰ্থবোধক শব্দ জনা, বাক্য ৰচনা কৰিব পৰা, বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদ চিনাক্ত কৰিব পৰা
- নতুন শব্দৰ অৰ্থ জনা
- ন্ব, ক্ক, জ্ব, গ্ব যুক্তাক্ষৰকেইটাৰ লগত পৰিচয় হোৱা, ভাঙিব পৰা আৰু গঠন কৰিব পৰা
- সাধুটোৰ জৰিয়তে পৰিৱেশৰ প্ৰতি সজাগতাৰ ভাব জন্মা
- চৰাইৰ ছবি সংগ্ৰহ কৰি এলবাম প্ৰস্তুত কৰিব পৰা
- তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| সাধু পাঠ | সাধু শুনি বুজি ক'ব পৰা | নিজৰ কথাৰে সাধু সজাই পৰাই ক'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | | | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰ ভাঙিব পৰা, গঠন কৰিব পৰা আৰু পঢ়িব পৰা | বিপৰীত অৰ্থবোধক শব্দ লিখিব পৰা | বিশেষ্য, বিশেষণ, সৰ্বনাম পদ চিনাক্ত কৰিব পৰা | বাক্য গঠন কৰিব পৰা | শব্দ বিভক্তিৰ চিনৰ বিষয়ে জনা | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | চৰাই-চিৰিকটিৰ উপকাৰিতাৰ বিষয়ে জনা | পশু-পক্ষী, গছ-গছনিৰ সৈতে থকা মানুহৰ সম্পৰ্ক বুজি পোৱা | তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পৰা | | | |
| | | | | | | |
| প্ৰকল্প | চৰাইৰ ছবি সংগ্ৰহ কৰি এলবাম প্ৰস্তুত কৰিব পৰা | পৰিৱেশ সজাগতাৰ বিষয়ে শ্লোগান লিখিব পৰা | চৰাই-চিৰিকটিৰ নামৰ তালিকা কৰিব জনা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*